**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 30-04-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। পেহেলগাম সন্ত্রাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়।

২। অক্ষয় তৃতীয়া উপলক্ষে উত্তৰাখণ্ডত আজি পবিত্ৰ চাৰিধাম যাত্ৰা আৰম্ভ হ'ব।

৩। জম্মু-কাশ্মীৰৰ ৰাঘা সীমান্তৰে কালি প্ৰায় ৬০ গৰাকী পাকিস্তানী মহিলা আৰু শিশুক ভাৰতৰ পৰা ঘূৰাই পঠিওৱা হয়।

৪। কলকাতাৰ ফালপট্টি মাচ্চুৱা এলেকাৰ সমীপৰ এখন হোটেলত যোৱা নিশা হোৱা অগ্নিকাণ্ডত কমেও ১৪ জন লোকৰ মৃত্যু হয়। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা নতুন অনুষ্ঠিত এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে দেলহী কেপিটেলছক ১৪ ৰানত পৰাস্ত কৰে।

ooooo

পেহেলগাম সন্ত্রাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। প্ৰধানমন্ত্ৰীৰ বাসগৃহত অনুষ্ঠিত এই বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভাল, চীফ অৱ ডিফেন্স ষ্টাফ অনিল চৌহান আৰু সেনা বাহিনীৰ তিনিওটা শাখাৰ মুৰববীসকল উপস্থিত থাকে। বৈঠকৰ পাছত আৰ এছ্‌ এছ্‌ মুৰববী মোহন ভাগৱতেও প্ৰধানমন্ত্ৰীক তেওঁৰ বাসগৃহত সাক্ষাৎ কৰে।

ooooo

অক্ষয় তৃতীয়া উপলক্ষে উত্তৰাখণ্ডত আজি পবিত্ৰ চাৰিধাম যাত্ৰা আৰম্ভ হ'ব। উত্তৰ কাশী জিলাত অৱস্থিত গংগোত্ৰী আৰু যমুনোত্ৰী মন্দিৰৰ দ্বাৰ মুকলি কৰাৰ লগে লগে এই যাত্ৰা আৰম্ভ হ'ব। মুকবা গাঁৱৰ শীতকালীন আৱাসত দেৱী গংগাৰ পাল্কী ছমাহ ৰখাৰ পাছত কালি গংগোত্ৰী ধামলৈ লৈ অহা হয়। যোৱা নিশা ভৈৰৱঘাটিৰ ভৈৰৱ মন্দিৰত দেৱী গংগাৰ পাল্কী বিশ্ৰামৰ বাবে ৰখা হয়। আজি ভৈৰৱঘাটিৰ পৰা গংগোত্ৰীলৈ পাল্কী লৈ যোৱা হ'ব, য'ত পৰম্পৰাগত পূজা আৰু বৈদিক মন্ত্ৰোচ্চাৰণেৰে দিনৰ চাৰে ১০ বজাত মন্দিৰৰ দ্বাৰ মুকলি কৰা হ'ব।

ইপিনে মা যমুনাৰ পাল্কী তেওঁৰ শীতকালীন আৱাস খাৰছলীৰ পৰা আজি পুৱা যমুনাত্ৰী ধামলৈ লৈ যোৱা হ'ব। ৰুদ্ৰ প্ৰয়াগ জিলাত অৱস্থিত কেদাৰনাথ মন্দিৰৰ দ্বাৰ ২ মে'ত আৰু চাম'লী জিলাৰ বদ্ৰীনাথ ধামৰ দ্বাৰ ৪ মে'ত খোলা হ'ব। আকাশবাণীয়ে চাৰিধাম যাত্ৰাৰ উদ্বোধনী অনুষ্ঠানৰ বিৱৰণী পোনপটীয়াকৈ প্ৰচাৰ কৰিব।

আজি দিনৰ ১০ বজাৰ পৰা ১১ বজালৈ গংগোত্ৰী ধাম আৰু দিনৰ চাৰে ১১ বজাৰ পৰা দুপৰীয়া চাৰে ১২ বজালৈ যমুনাত্ৰী ধামৰ দ্বাৰ মুকলি কাৰ্যসূচীৰ বিৱৰণী পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। ২ মে'ত

পুৱা ৬ বজাত কেদাৰনাথ ধাম আৰু ৪ মে’ত পুৱা চাৰে ৬ বজাৰ পৰা চাৰে ৭ বজালৈ বদ্রীনাথ ধাম মুকলি কাৰ্যসূচীৰ বিৱৰণী পোনপটীয়া প্ৰচাৰ কৰা হ’ব। শ্ৰোতাসকলে আকাশবাণীৰ ইন্দ্ৰপ্ৰস্থ, এফ এম গোল্ড আৰু আৰাধনা চেনেলৰ উপৰি নিউজ অন এয়াৰ এপ যোগেও এই কাৰ্যসূচীৰ পোনপটীয়া প্ৰচাৰ শুনিব পাৰিব। আজিৰে পৰা ৪ মে’ পৰ্যন্ত প্ৰতিদিনে সন্ধিয়া চাৰে ৭ বজাৰ পৰা ৭ বাজি ৪৫ মিনিটলৈ এই যাত্ৰা সন্দৰ্ভত বিশেষ প্ৰতিবেদন প্ৰচাৰ কৰা হ’ব।

০০০০০

ছৌদি আৰৱৰ গৃহ মন্ত্ৰালয়ে কোনো পাকিস্তানী নাগৰিকে চলিত বৰ্ষৰ হজ পাৰ্মিটৰ নিয়ম উলংঘা কৰিলে তেওঁৰ বিৰুদ্ধে কঠোৰ জৰিমনা বিহা হ’ব বুলি ইছলামাবাদলৈ সতৰ্কবাণী জাৰি কৰিছে। ছৌদি মন্ত্ৰালয়ে শেহতীয়াকৈ জাৰি কৰা সতৰ্কবাণী অনুসৰি অহা ১০ জুনলৈ জৰিমনাৰ শাস্তি বাহাল থাকিব। মন্ত্ৰালয়ে উল্লেখ কৰা মতে কোনো পাকিস্তানী নাগৰিকে বৈধ অনুমতি অবিহনে হজ কৰাৰ চেষ্টা কৰিলে ২০ হাজাৰ ছৌদি ৰিয়াল জৰিমনাৰ সন্মুখীন হ’ব লাগিব। মক্কাত থকা আৰু ইয়াত প্ৰৱেশ কৰা সকলকে ধৰি সকলো প্ৰকাৰৰ ভিছা থকা লোকৰ ক্ষেত্ৰতে এই জৰিমনা প্ৰযোজ্য হ’ব। মক্কা ৰুট ইনেছিয়েটিভৰ অধীনত পাকিস্তানে নিজাববীয়াকৈ ৪৪২ গৰাকী হজ যাত্ৰীৰ প্ৰথমটো গোট কালি ইছলামাবাদৰ পৰা মদিনালৈ বিমানযোগে প্ৰেৰণ কৰাৰ পাছতে ছৌদি আৰৱ চৰকাৰে এই সতৰ্কবাণী জাৰি কৰিছে। পাকিস্তানৰ পৰা প্ৰতিবছৰে পাৰ্মিট অবিহনে হজযাত্ৰা কৰা নাগৰিক, অবৈধ যাত্ৰী আৰু ভিক্ষাৰীৰ সংখ্যা বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি ছৌদি আৰৱে এনে কঠোৰ সতৰ্কবাণী জাৰি কৰিছে। বিগত ৩ বছৰত ছৌদি আৰৱে কমেও ৪ হাজাৰ ৭০০ পাকিস্তান ভিক্ষাৰী নিজ দেশলৈ প্ৰেৰণ কৰিছে।

০০০০০

উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ, ন্যায়াধীশ ভূষণ ৰামকৃষ্ণ গাৱাই দেশৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশ হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিব। কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুনৰাম মেঘৱালে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ন্যায়াধীশ গাৱাইক দেশৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশ হিচাপে নিয়োগ কৰিছে আৰু অহা ১৪ মে’ৰ এয়া কাৰ্যকৰী হ’ব। ন্যায়াধীশ গাৱাই হ’ব দেশৰ ৫২ সংখ্যক মুখ্য ন্যায়াধীশ। অহা ১৩ মে’ত বৰ্তমানৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাৰ কাৰ্যকালৰ অন্ত পৰিব।

০০০০০

জম্মু-কাশ্মীৰৰ ৱাঘা সীমান্তৰে কালি প্ৰায় ৬০ গৰাকী পাকিস্তানী মহিলা আৰু শিশুক ভাৰতৰ পৰা ঘূৰাই পঠিওৱা হয়। এই মহিলাসকলৰ বেছি সংখ্যকে প্ৰাক্তন কাশ্মীৰী সন্ত্ৰাসবাদীৰ সৈতে বিবাহপাশত আৱদ্ধ হোৱা। শ্ৰীনগৰ, বাৰামুল্লা, কুপৱাৰা, বুদগাম আৰু শ্বপিয়ান জিলাৰ পৰা আহি একেলগ হোৱা এই পৰিয়ালসমূহক বাছেৰে পঞ্জাৱলৈ লৈ যোৱা হয় আৰু পাকিস্তানী কৰ্তৃপক্ষক অৰ্পণ কৰা হয়। বেছি সংখ্যক মহিলাই ২০১০ চনৰ প্ৰাক্তন সন্ত্ৰাসবাদীৰ পুনৰ্বাস নীতিৰ অধীনত কাশ্মীৰত প্ৰৱেশ কৰিছিল। ৪৫ বছৰ পূৰ্বে বৈধ ভিছা লৈ মেন্ধাৰ আৰু পুঞ্চত বাস কৰি অহা ১১ গৰাকী পাকিস্তানী নাগৰিককো দেশৰ পৰা বিতাড়ন কৰা হয়। উল্লেখযোগ্য যে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুৰব্বীসকলক পাকিস্তানী নাগৰিকসকলক চিনাক্ত কৰি দেশৰ পৰা বিতাড়ন কৰিবলৈ নিৰ্দেশ দিছিল।

০০০০০

কলকাতাৰ ফালপট্টি মাচ্ছুৱা এলেকাৰ সমীপৰ এখন হোটেলত যোৱা নিশা হোৱা অগ্নিকাণ্ডত কমেও ১৪ জন লোকৰ মৃত্যু হয়। ইতিমধ্যে মৃতদেহকেইটা উদ্ধাৰ কৰা হৈছে আৰু ভালেসংখ্যক লোকক সেই ঠাইৰ পৰা নিৰাপদে আঁতৰাই পঠোৱা হৈছে বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। নিশা প্ৰায় ৮ বাজি ১৫ মিনিটত সংঘটিত হোৱা অগ্নিকাণ্ডৰ কাৰণ এতিয়ালৈকে জানিব পৰা হোৱা নাই। ঘটনাৰ তদন্তৰ বাবে আৰক্ষীৰ এটা বিশেষ দল নিয়োগ কৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰী তথা পশ্চিমবংগ বিজেপিৰ সভাপতি সুকান্ত মজুমদাৰে ভৱিষ্যতে এনেধৰণৰ দুখজনক ঘটনা প্ৰতিৰোধ কৰাৰ বাবে সুৰক্ষা ব্যৱস্থা কঠোৰভাৱে নিৰীক্ষণ কৰিবলৈ জিলা প্ৰশাসনক আহ্বান জনায়।

০০০০০

বিজেপিয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক উদ্দেশ্যি কংগ্ৰেছে সামাজিক মাধ্যমত প্ৰচাৰ পৰা এখন ছবিক লৈ প্ৰতিক্ৰিয়া কৰিছে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত দলৰ মুখপাত্ৰ গৌৰৱ ভাটিয়াই, পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত এই গুৰুত্বপূৰ্ণ সময়ত কংগ্ৰেছে এনেধৰণৰ বাৰ্তাৰ জৰিয়তে দেশক দুৰ্বল কৰাৰ চেষ্টা কৰিছে বুলি অভিযোগ কৰে। তেওঁ লগতে এই আক্ৰমণ সন্দৰ্ভত কিছুসংখ্যক কংগ্ৰেছ নেতাৰ বিতৰ্কিত মন্তব্যৰ কথাও উল্লেখ কৰে। মুখপাত্ৰগৰাকীয়ে কয়, যে পেহেলগাম আক্ৰমণৰ আঁৰত থকা সন্ত্ৰাসবাদীসকলক উচিত প্ৰত্যুত্তৰ দিয়া হ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্পষ্টভাৱে উল্লেখ কৰিছে। পাছত কংগ্ৰেছে সামাজিক মাধ্যমৰ পৰা বিতৰ্কিত বাৰ্তাটো আঁতৰাই দিয়ে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা নতুন অনুষ্ঠিত এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে দেলহী কেপিটেলছক ১৪ ৰানত পৰাস্ত কৰে। দেলহীয়ে ২০৫ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৯০ ৰান সংগ্ৰহ কৰে। দলৰ হৈ ফাফ ডু প্লেছিছে ৬২ আৰু অক্ষৰ পেটেলে ৪৩ ৰান কৰে। কলকাতা নাইট ৰাইডাৰ্ছৰ সুনীল নাৰায়ণে ৩টা, বৰুণ চক্ৰৱৰ্তীয়ে দুটা উইকেট দখল কৰাৰ লগতে অনুকুল ৰয়, বৈভৱ আৰোৰা আৰু আণ্ড্ৰে ৰাছেলে এটাকৈ উইকেট লাভ কৰে। সুনীল নাৰায়ণ প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। ইয়াৰ পূৰ্বে কলকাতাই প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ২০৪ ৰান কৰে। দলৰ হৈ অংক্ৰিছ ৰঘুবংশীয়ে সৰ্বাধিক ৪৪ ৰান কৰে।

প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত